**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 10-09-2025
**Time :** 1845 HRS

***Assamese Evening Bulletin***
**Headlines**
**-------------------**

০০০০০০০০

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দুদিনীয়া অসম ভ্ৰমণৰ পূৰ্বে আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নুমলীগড়ত পৰ্য্যালোচনা বৈঠকত অংশগ্ৰহণ।

২। প্ৰধানমন্ত্ৰীৰ অহা ১৩ ছেপ্তেম্বৰত আইজলৰ নিকটৱৰ্তী চাইৰাঙৰ পৰা তিনিখন এক্সপ্ৰেছ ৰে'লগাড়ীৰ যাত্ৰাৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ।

৩। বি টি চি নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান অব্যাহত। ৰাজ্যিক নিৰ্বাচন আয়োগৰ আজি ওজৰ-আপত্তি নিষ্পত্তি প'ৰ্টেল মুকলি।

৪। ৰাজ্যৰ প্ৰতিখন মহাবিদ্যালয়তে পৰ্য্যায়ক্ৰমে সকলো শাখা মুকলি কৰাৰ বাবে চৰকাৰৰ সিদ্ধান্ত।

***আৰু***

৫। এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি ভাৰত ইউ এ ইৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিবলগীয়া প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ১৪ ছেপ্তেম্বৰত নুমলীগড় শোধনাগাৰত বিশ্বৰ প্ৰথমটো বাঁহভিত্তিক জৈৱ ইথানল প্ৰকল্প উদ্বোধন কৰিব। প্ৰধানমন্ত্ৰী মোদীৰ আগমণৰ পূৰ্বে আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই জিলা আয়ুক্ত, আৰক্ষী অধীক্ষক, নুমলীগড় শোধনাগাৰ কৰ্তৃপক্ষ তথা সংশ্লিষ্ট বিভাগৰ বিষয়াসকলৰ সৈতে এখন পৰ্য্যালোচনা বৈঠকত মিলিত হয়। বৈঠকত বি জে পিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, বিত্ত মন্ত্ৰী অজন্তা নেওগ, মন্ত্ৰী অতুল বৰাকে ধৰি স্থানীয় বিধায়কসকল উপস্থিত থাকে। ড০ শৰ্মাই নুমলীগড়ৰ প্ৰকল্পস্থলী পৰিদৰ্শন কৰি উদ্বোধন কাৰ্যসূচীৰ প্ৰস্তুতিৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত প্ৰধানমন্ত্ৰী মোদীয়ে উদ্বোধন কৰিবলগীয়া প্ৰকল্পসমূহৰ বিষয়ে উল্লেখ কৰে।

-বাইট-

প্ৰধানমন্ত্ৰীৰ ভ্ৰমণক সন্মান জনাই নুমলীগড় আৰু মণিপুৰৰ মোৰে সংযোগী ৩৩৯ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা নুমলীগড় শোধনাগাৰক সংযোগ কৰা ২ দশমিক ২ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱা প্ৰধানমন্ত্ৰী নিম আলিবাট

হিচাপে গঢ়ি তোলাৰ উদ্দেশ্যে ছশ নিম পুলি ৰোপণৰ ব্যৱস্থা কৰা হৈছে। খুমটাইৰ বিধায়ক মৃণাল শইকীয়াৰ উদ্যোগত আৰম্ভ কৰা এই পদক্ষপেৰ অংশ হিচাপে আজি মুখ্যমন্ত্ৰী ড০ শৰ্মাই এটা নিম পুলি ৰোপণ কৰে।

উল্লেখযোগ্য যে, নুমলীগড় শোধানাগাৰৰ ৫০ শতাংশ অংশীদাৰিত্বৰে নিৰ্মাণ কৰা এই প্ৰকল্পটোৰ পৰা প্ৰতি বছৰে ৫০ হাজাৰ টন ইথানল, ১৮ হাজাৰ টন ফাৰ্ফিউৰেল আৰু ১১ হাজাৰ টন এচিটিক এছিড উৎপাদন কৰা হ'ব। অৱশিষ্ট লীগনিনৰ পৰা ২৫ মেগাৱাট বিদ্যুৎ উৎপাদন কৰিব পৰা যাব বুলি জৈৱ ইথানল প্ৰকল্পৰ পৰিচালন সঞ্চালকে প্ৰকাশ কৰিছে।

প্ৰধানমন্ত্ৰীয়ে ইয়াৰ পূৰ্বে দৰং জিলাত কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ মঙলদৈত প্ৰায় ৫৭৬ কোটি টকা ব্যয়েৰে দৰং চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ লগতে এখন জি এন এম স্কুল আৰু এখন নাৰ্চিং মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীয়ে লগতে প্ৰায় ৭ হেজাৰ কোটি টকা ব্যয়েৰে ব্ৰহ্মপুত্ৰৰ ওপৰত নাৰেঙ্গী-কুৰুৱা সংযোগী দলং আৰু গুৱাহাটী ৰিং ৰোড প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰিব।

শ্ৰীমোদীয়ে ১৩ ছেপ্তেম্বৰত সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উপলক্ষে গুৱাহাটীত আয়োজিত অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। এই অনুষ্ঠানত ৰাজ্যৰ এহেজাৰৰো অধিক শিল্পীয়ে ভূপেন হাজৰিকাৰ ১৪ টা গীত আৰু কবিতা পৰিৱেশন কৰিব। এই অনুষ্ঠানতে শিল্পীগৰাকীৰ এটি স্মাৰক মুদ্ৰা আৰু এখন জীৱনী গ্ৰন্থ উন্মোচন কৰা হ'ব।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ১৩ ছেপ্তেম্বৰৰ বিয়লি দুদিনীয়া ভ্ৰমণসূচীৰে অসমত উপস্থিত হোৱাৰ পূৰ্বে মণিপুৰত কেবাটাও কাৰ্যসূচীত অংশ ল'ব। তেওঁ চুড়াচান্দপুৰ আৰু ইম্ফলত জনসভাত অংশ ল'ব। প্ৰধানমন্ত্ৰীৰ ভ্ৰমণৰ পূৰ্বে ৰাজ্যপাল অজয় কুমাৰ ভাল্লাই কালি চুড়াচান্দপুৰ জিলাত প্ৰস্তুতিৰ বুজ লয়।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ১৩ ছেপ্তেম্বৰত মিজোৰামৰ ৰাজধানী আইজলৰ নিকটৱৰ্তী চাইৰাঙৰ পৰা নতুন দিল্লীৰ মাজত সাপ্তাহিক ৰাজধানী এক্সপ্ৰেছ, চাইৰাং আৰু গুৱাহাটীৰ মাজত দৈনিক এক্সপ্ৰেছ আৰু চাইৰাং আৰু ক'লকাতাৰ মাজত ত্ৰিসাপ্তাহিক এক্সপ্ৰেছ ৰে'লগাড়ীৰ যাত্ৰা আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰিব। চাইৰাং আৰু দিল্লীৰ আনন্দ বিহাৰ ষ্টেচনৰ মাজত সপ্তাহত এদিনকৈ চলিবলগীয়া ২০৫০৭ আৰু ২০৫০৮ নম্বৰৰ এই ৰাজধানী এক্সপ্ৰেছখনে চাইৰাঙৰ পৰা আনন্দ বিহাৰলৈ দুহেজাৰ ৫১০ কিলোমিটাৰ দূৰত্ব ৪৩ ঘণ্টা ২৫ মিনিটত সম্পূৰ্ণ কৰিব। নিয়মীয়া যাত্ৰাত এই ৰে'লগাড়ীখন প্ৰতি শুকুৰবাৰে বিয়লি ৪ বাজি ৩০ মিনিটত চাইৰাঙৰ পৰা যাত্ৰা কৰি দেওবাৰে দিনৰ ১০ বাজি ৫০ মিনিটত আনন্দ বিহাৰ পাবগৈ আৰু ওভতনি যাত্ৰা দেওবাৰে সন্ধিয়া ৭ বাজি ৫০ মিনিটত যাত্ৰা কৰি মঙলবাৰে বিয়লি ৩ বাজি ১৫ মিনিটত চাইৰাং পাবহি। গুৱাহাটী আৰু চাইৰাঙৰ মাজত প্ৰৱৰ্তন কৰা ১৫৬০৯ আৰু ১৫৬১০ নম্বৰৰ দৈনিক ৰে'লগাড়ীখনে সন্ধিয়া ৭ বজাত গুৱাহাটীৰ পৰা যাত্ৰা কৰি পিচদিনা পুৱা চাৰে ৮ বজাত চাইৰাং পাবগৈ। একেদৰে, চাইৰাঙৰ পৰাও সন্ধিয়া ৭ বজাত যাত্ৰা কৰি পিচদিনা পুৱা চাৰে ৮ বজাত গুৱাহাটী পাবহি। আনহাতে, ১৩১২৫ আৰু ১৩১২৬ নম্বৰৰ ত্ৰিসাপ্তাহিক ৰে'লগাড়ীখনে চাইৰাং আৰু ক'লকাতাৰ মাজৰ এহেজাৰ ৫১২ কিলোমিটাৰ দূৰত্ব ৩১ ঘণ্টাত সম্পূৰ্ণ কৰিব বুলি উত্তৰ পূব সীমান্ত ৰে'লৱেৰ এখন বিজ্ঞপ্তিত কোৱা হৈছে।

০০০০০০০০

সাংসদ গৌৰৱ গগৈ আৰু তেওঁৰ পত্নীৰ পাকিস্তানী সংযোগ বিষয়ক সমস্ত বিষয়সমূহ পৰীক্ষা কৰাৰ বাবে গঠন কৰা বিশেষ তদন্ত গোট '– এছ্ আই টিয়ে আজি সন্ধিয়া ৬ বজাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ওচৰত প্ৰতিবেদন দাখিল কৰে। অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ বিশেষ সঞ্চালকপ্ৰধান মুন্নাপ্ৰসাদ গুপ্তাই আজি দিছপুৰৰ সচিবালয়ৰ মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ত মুখ্যমন্ত্ৰীৰ হাতত এই প্ৰতিবেদন দাখিল কৰে।

ইয়াৰ আগতে, মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কয়, যে এছ্ আই টিৰ প্ৰতিবেদন পৰীক্ষা কৰি চোৱাৰ পাছত এইক্ষেত্ৰত যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

০০০০০০০০

বিটিআৰৰ ৪০টা সমষ্টিত অহা ২২ ছেপ্তেম্বৰত হ'বলগীয়া বিটিচি নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে প্ৰচাৰ অভিযান তীব্ৰ কৰি তোলাৰ লগতে জিলা প্ৰশাসনসমূহে যাৱতীয় প্ৰস্তুতি অব্যাহত ৰাখিছে।

**তামুলপুৰ** জিলা আয়ুক্ত কাৰ্যালয়ত বি টি চি নিৰ্বাচনৰ ব্যয় সন্দৰ্ভত আজি এখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত নিৰ্বাচনী পৰ্যবেক্ষকদ্বয় – অতুল কুমাৰ শৰ্মা, ক্ষিতিশ চন্দ্ৰ পেগু আৰু অতিৰিক্ত জিলা আয়ুক্ত হেমাশ্ৰী খনিকৰে নিৰ্বাচনী ব্যয় সম্পৰ্কীয় নীতি-নিয়মসমূহ ব্যাখ্যা কৰে। এই বৈঠকত জিলাখনৰ পাঁচটা পৰিষদীয় সমষ্টি – দৰঙাজুলি, নাগ্ৰীজুলি, গয়বাৰী, শুক্লাই চেৰফাং আৰু গোৰেশ্বৰৰ প্ৰতিনিধি আৰু গাণনিকসকল উপস্থিত থাকে। জিলাখনৰ নাগ্ৰীজুলি পৰিষদীয় সমষ্টিত আজি মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। বিপিএফ দলে আজি কোকৰাঝাৰত কেন্দ্ৰীয় নিৰ্বাচনী সমিতিৰ কাৰ্যালয় মুকলি কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত দলৰ সভাপতি হাগ্ৰামা মহিলাৰী আৰু জ্যেষ্ঠ নেতাসকল উপস্থিত থাকে। জিলাখনত নিৰ্বাচনী তৎপৰতা সন্দৰ্ভত এয়া আমাৰ সংবাদদাতা প্ৰীতম ব্ৰহ্ম চৌধুৰী –

বাইট

আসন্ন বি টি চি নিৰ্বাচনৰ বাবে ওদালগুৰি জিলাত ২০ ছেপ্তেম্বৰৰ পুৱা ৪ বজাৰ পৰা ২২ ছেপ্তেম্বৰ বিয়লি ৪ বজালৈ আৰু ২৬ ছেপ্তেম্বৰৰ ভোট গণনাৰ দিনটোত সুৰা নিষিদ্ধ ঘোষণা কৰা হৈছে। এই সময়ছোৱাত কোনো ব্যক্তি বা দলে মাদক দ্ৰব্য মজুত কৰা, বিক্ৰী আৰু সৰবৰাহ নিষিদ্ধ কৰা হৈছে।

**চিৰাং** জিলাৰ সাতটা পৰিষদীয় সমষ্টিত ৰাজনৈতিক দলসমূহে প্ৰচাৰ চলাইছে। জিলাখনৰ ৭টা সমষ্টিৰ ভিতৰত তিনিটাত বিজেপিয়ে প্ৰাৰ্থিত্ব দিছে। অহা ১২ ছেপ্তেম্বৰত মানস-চেৰফাং সমষ্টিৰ প্ৰাৰ্থী সুভাষ বসুমতাৰীৰ সমৰ্থনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰচাৰ চলোৱাৰ কথা।

ৰাজ্যিক নিৰ্বাচন আয়োগে বি টি চি নিৰ্বাচনৰ বাবে ওজৰ-আপত্তি নিষ্পত্তি প'ৰ্টেল মুকলি কৰিছে। জনসাধাৰণে আদৰ্শ নিৰ্বাচনী আচৰণ বিধি উলংঘাৰ বিষয়ে ফটো অথবা ভিডিঅ' প্ৰমাণসহ এই প'ৰ্টেলযোগে অৱগত কৰিব পাৰিব আৰু অভিযোগৰ স্থিতি সন্দৰ্ভত জানিব পাৰিব।

০০০০০০০০

অসম চৰকাৰে ৰাজ্যৰ প্ৰতিখন মহাবিদ্যালয়তে পৰ্যায়ক্ৰমে সকলো শাখা মুকলি কৰিব বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ঘোষণা কৰিছে। মন্ত্ৰীগৰাকীয়ে আজি বৰপেটা জিলাৰ মধ্য কামৰূপ মহাবিদ্যালয়ৰ নতুন ভৱন আৰু এখন তোৰণ মুকলি কৰি এটা অনুষ্ঠানত দিয়া ভাষণত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ সাম্প্ৰতিক সময়ৰ চাহিদা অনুসৰি পুঠিগত শিক্ষাৰ লগতে ব্যৱহাৰিক শিক্ষাৰে ছাত্ৰ-ছাত্ৰীসকলক একবিংশ শতিকাৰ

উপযোগী হোৱাকৈ নিজক গঢ় দিবলৈ আহ্বান জনায়। এই লক্ষ্য আগত ৰাখি প্ৰতিখন মহাবিদ্যালয়ত বিজ্ঞান, কলা, বাণিজ্য আৰু বৃত্তিমুখী শাখা মুকলি কৰা হ'ব বুলি তেওঁ কয়। ৰাজ্যত ঔদ্যোগিকীকৰণৰ জৰিয়তে নিয়োগ সৃষ্টিত চৰকাৰে গুৰুত্ব আৰোপ কৰিছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে ছেমি কণ্ডাক্টৰ প্ৰকল্প আৰু মহিলা উদ্যমিতা আঁচনিৰ প্ৰসংগ উল্লেখ কৰে। ৰাজ্যত শিক্ষাবৰ্ষ সলনি কৰা সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে কয়, যে এই বিষয়টো পৰীক্ষা কৰাৰ বাবে এখন সমিতি গঠন কৰি দিয়া হৈছে।

oooooooo

শিলচৰত ৩০৬ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ প্ৰথম পৰ্যায়ৰ এলিভেটেড কৰিড'ৰ নিৰ্মাণৰ বাবে ৩৯৯ কোটি ৩০ লাখ টকাৰ নিবিদা জাৰি কৰা হৈছে। শিলচৰ চহৰৰ ট্ৰাংক ৰোডৰ পৰা ৰাঙিৰখাৰি পইণ্টলৈ এই কৰিড'ৰ নিৰ্মাণ কৰা হ'ব। নিবিদা দাখিলৰ অন্তিম দিন ৭ অক্টোবৰ ধাৰ্য কৰা হৈছে। বৰাক উপত্যকা উন্নয়ন বিভাগৰ মন্ত্ৰী কৌশিক ৰায়ে এই বিষয়ে প্ৰকাশ কৰি কয়, যে এই পদক্ষেপৰ ফলত শিলচৰৰ যানজঁট বহু পৰিমাণে হ্ৰাস পাব আৰু যাতায়াত ব্যৱস্থা সূচল হ'ব। নগৰীয়া আন্তঃগাঁথনি উন্নয়নৰ জৰিয়তে শিলচৰক আধুনিক চহৰলৈ ৰূপান্তৰিত কৰাৰ ক্ষেত্ৰত এই পদক্ষেপ গুৰুত্বপূৰ্ণ হিচাপে পৰিগণিত হৈছে।

oooooooo

ধুবুৰী আৰু ফুলবাৰীৰ মাজৰ যাতায়াতৰ সময় হ্ৰাস কৰাৰ বাবে দক্ষিণ শালমাৰাৰ ছেবলটাৰীত আজি ব্ৰহ্মপুত্ৰৰ পাৰত এটা নতুন ফেৰী ঘাট মুকলি কৰা হয়। এই ঘাটেৰে যাত্ৰীসকলে মাত্ৰ এঘণ্টাৰ ভিতৰতে ফুলবাৰীৰ পৰা ধুবুৰীলৈ যাব পাৰিব। ফেকামাৰী খণ্ড উন্নয়ন বিষয়া বাপধন আলীয়ে এই নতুন ফেৰী ঘাটটো মুকলি কৰে। ধুবুৰীলৈ প্ৰতিদিনে যাতায়াত কৰা জিলাখনৰ ব্যৱসায়ী তথা অন্যান্য লোকসকল এই ঘাটৰ জৰিয়তে উপকৃত হ'ব বুলি বিষয়াগৰাকীয়ে প্ৰকাশ কৰে।

oooooooo

শাৰদীয় দুৰ্গা পূজাৰ প্ৰাকক্ষণত অৰ্থাৎ অহা ২২-২৩ ছেপ্তেম্বৰত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান পৰ্যটকৰ বাবে মুকলি কৰা হ'ব। আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নুমলীগড়ত এই কথা ঘোষণা কৰে। ৰাষ্ট্ৰীয় উদ্যানখনৰ সঞ্চালক সোণালী ঘোষেও কিছুদিন পূৰ্বে এই বিষয়ে প্ৰকাশ কৰিছিল। সঞ্চালকগৰাকীয়ে উদ্যানখনৰ ভিতৰৰ বাট-পথৰ মেৰামতিৰ কাম প্ৰায় সম্পূৰ্ণ হৈছে আৰু শীঘ্ৰেই পৰ্যটকৰ বাবে মুকলি কৰা হ'ব বুলি উল্লেখ কৰিছিল।

oooooooo

এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি ভাৰতে আয়োজক দেশ সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰ ইউ এ ইৰ বিৰুদ্ধে হ'বলগীয়া খেলেৰে অভিযান আৰম্ভ কৰিব। গ্ৰুপ-এৰ এই খেলখন ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত খেলোৱা হ'ব। খেলখন নিশা ৮ বজাত আৰম্ভ হ'ব।

ইপিনে আবু ধাবিত যোৱা নিশা অনুষ্ঠিত প্ৰতিযোগিতাৰ উদ্বোধনী খেলখনত আফগানিস্তানে হংকঙক ৯৪ ৰানৰ বিশাল ব্যৱধানত পৰাস্ত কৰে।

গ্ৰুপ-বিৰ এই খেলখনত প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ আফগানিস্তানে নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেট হেৰুৱাই ১৮৮ ৰান সংগ্ৰহ কৰে।

প্ৰত্যুত্তৰত হংকঙে নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেট হেৰুৱাই ৯৪ ৰানহে কৰিবলৈ সক্ষম হয়। দলটোৰ হৈ বাবৰ হায়াতে সৰ্বাধিক ৩৯ ৰানৰ বৰঙণি আগবঢ়ায়।

০০০০০০০০

চৰাইদেউ জিলাৰ লাকুৱা টাণ্টিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত বিষয় শিক্ষয়িত্ৰী, কবি দিপ্তী সন্দিকৈ ৰাজকোঁৱৰৰ আজি বিয়লি ডিব্ৰুগড়ৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬৯ বছৰ। ১৯৫৬ চনত যোৰহাট জিলাৰ মেলেং চাহ বাগিচাত জন্মগ্ৰহণ কৰা প্ৰয়াত সন্দিকৈ লাকুৱা শাখা সাহিত্য সভাৰ প্ৰাক্তন সভানেত্ৰী, শিৱসাগৰ জিলা সাহিত্য সভাৰ কুঁহি, ৰামধেনুৰ লগতে কেইবাটাও অনুষ্ঠানৰ সৈতে সক্ৰিয়ভাৱে জড়িত আছিল। ঐতিহ্যৰ সোঁৱৰণ শীৰ্ষক স্ব-ৰচিত কবিতাপুথিৰ স্ৰষ্টা প্ৰয়াত সন্দিকৈ আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ অংশকালীন বাৰ্তা সম্পাদক পূজা ৰাজকুমাৰীৰ মাতৃ।

০০০০০০০০

শিলচৰৰ পৰা প্ৰকাশিত সাময়িক প্ৰসংগ কাকতৰ জ্যেষ্ঠ সাংবাদিক, গুৱাহাটীৰ ভেটাপাৰা নিবাসী কুন্তল চক্ৰৱৰ্তীৰ আজি পুৱা গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়। দীৰ্ঘ দিন ধৰি কৰ্কট ৰোগত আক্ৰান্ত হৈ থকা জ্যেষ্ঠ সাংবাদিকগৰাকীৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৫৪ বছৰ। প্ৰয়াত চক্ৰৱৰ্তীয়ে প্ৰান্তজ্যোতি, সময় প্ৰৱাহ, যুগ শংখ আদি কাকতত সাংবাদিকতা কৰিছিল। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সাংবাদিকগৰাকীৰ আত্মাৰ চিৰশান্তি কামনা কৰি শোক সন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিছে।

০০০০০০০০

সমাপ্ত